কেইবাখনো কিতাপ আনি দিব পাৰিব বুলি কথা দিছিল। তাৰ মনটোৱে সকাহ পাইছিল। চকু ফুৰাই চাই বিজ্ঞান আৰু অংকৰ কিতাপ দুখনৰ পাঠবোৰ বুজাত অসুবিধা পাইছিল। স্কুল খোলালৈ সি আশাৰে অপেক্ষা কৰিছিল।

মধুৰহঁতৰ ঘৰৰ আগফালে ফুলনি আৰু পিছফালে শাক-পাচলিৰ বাৰী। আবেলি সেইদিনা পিছফালৰ বাৰীত দেউতাকে কোৰ মাৰি, মাটি গুড়ি কৰি আছিল! তাৰো মন গৈছিল দেউতাকক সহায় কৰিবলৈ। বাৰীত সোমাই কোৰখন দাঙি লওঁতেই দেউতাকে কৈছিল—"তই এইবোৰত লাগিব নালাগে। পঢ়াশুনাকে কৰি থাকচোন। কিতাপ কেইখনমান আনিছিলি নহয়। সেইদিনা তহঁতৰ মাষ্টৰে বজাৰত লগ পাই মোক কৈছিল—মধুৰক পঢ়িবলৈ দিব। পঢ়াত সি বৰ ভাল।"

কম কথা কোৱা দেউতাকৰ কথাত তাৰ মনত এসোঁতা আনন্দৰ ধাৰ বৈ গৈছিল। সি কৈছিল—"পঢ়িম দেউতা। মায়ে আবেলি চাহৰ লগত খাবলৈ মালপোৱা ভাজি আছে। দেউতা আপুনিও আহক। আমি চাহ খাওঁগৈ। তাৰ পাছত মই পঢ়া মেজত বহিম।"

চাহ-জলপান খাই থাকোঁতে দেউতাক আৰু মাক দুয়োকে ওচৰতে পাই সি ক'ম বুলি ভাবিছিল—স্কুল বোধকৰোঁ বহুত দিনেই বন্ধ থাকিব। ছায়েন্স, মেথছ এইবিলাক বিষয় স্কুলত শিক্ষকে এবাৰ বুজাই নিদিলে নিজে পঢ়ি চাই বুজিবলৈ টান হয়। ইফালে কৰ্ছ শেষ নোহোৱাত গুৰুত্ব নিদিয়াকৈ হঠাতে যদি ব'ৰ্ডে পৰীক্ষা পতাৰ সিদ্ধান্ত লয় তেতিয়াতো আমি কিছুমান কথা নজনাকৈয়ে পৰীক্ষা দিব লাগিব। মনলৈ অহা এই চিন্তা-ভাবনাবিলাক সি দেউতাক বা মাকক নক'লে, অনৰ্থক তেওঁলোকক চিন্তা দিয়া হ'ব বুলি।

তাৰ ১৫ দিনমানৰ পাছত এদিন বিয়লি দোকান এখনলৈ গৈ উভতি আহোঁতে তাৰ লগত অৰ্পণ আৰু অচ্যুতে ছাইকেল ৰখাই তাক মাত দিলে। অৰ্পণে ক'লে—"আমি এজন ভাল শিক্ষকৰ ওচৰলৈ পঢ়িবলৈ যাওঁ। তোক কোৱাই হোৱা নাই কথাটো।" লগে লগে অচ্যুতে ক'লে—"মধুৰ তই যাবি নেকি ছাৰজনৰ ওচৰলৈ। মেথছ আৰু ছায়েন্স খুব ভাল পঢ়ায় বুজিছ।"

মধুৰে ক'লে—"তহঁতে ভালেই কৰিছ দে। ঘৰত দেখোন পঢ়াই নহয়।" অলপ ৰৈ সোধোঁ-নোসোধোঁকৈ সুধিলে—"ছাৰজনক মাহেকত কিমান দিব লাগে কচোন।"

অচ্যুতে ক'লে—"মই ভালকে নাজানো। দেউতাহঁতে ঠিক কৰিছে।" লগে লগেই অৰ্পণে ক'লে—"আঠশ নে এহেজাৰ লয়।"

"অ'।" মধুৰে কিবা এটা কোৱাৰ আগতেও ছাইকেলকেইখন চলাই দুয়োটা গ'লগৈ। মধুৰে ভাবিলে ইমান টকা দি তাৰ পক্ষে প্ৰাইভেট শিক্ষকৰ ওচৰত পঢ়াটো অসম্ভৱ। স্কুলবোৰতো সদায় বন্ধ নাথাকে। এদিন খুলিবই। অচ্যুত আৰু অৰ্পণ চহকী ঘৰৰ ল'ৰা। সেইবাবে ইমানখিনি পইচা দিব পাৰিছে। তাৰ লগত পঢ়া বহুতৰে হয়তো এনে সামৰ্থ্য নাই।

তাৰ পাছত আৰু বহুতো দিন পাৰ হ'ল। স্কুল খোলাৰ নামেই নাই। মধুৰৰ মনটো অলপো ভাল নালাগে। সময়বোৰ অবাবতে পাৰ হৈ যোৱা যেন লাগে। হঠাতে এদিন তাৰ লগত পঢ়া বৈভৱ আৰু বিকাশ আহি ওলালহি। আগফালৰ পিৰালিত থিয় হৈ থকা মধুৰৰ সিহঁত দুটাক দেখিয়েই মনটো ভাল লাগি গ'ল। সি কিবা এষাৰ সোধাৰ আগতেই বিকাশে ক'লে—"তোক কথা এটা জনাবলৈ আহিলোঁ।"

"কচোন কি কথা?"

বৈভৱ আৰু বিকাশ তাৰ ভাল বন্ধু। তাক যেনেকৈয়ে পাৰে সহায় কৰিবলৈ বিচাৰে। পঢ়াশুনাৰ ক্ষেত্ৰত সিও সিহঁতৰ নোৱৰা বা নুবুজাটো বুজাই দিয়ে। তাৰ কথা শুনি বিকাশে ক'লে—"আমাৰ স্কুলৰ বিষয়েহে ক'বলৈ আহিলোঁ। বুজিছ?"

মধুৰ উৎসাহিত হৈ পৰিল। "কি ক'ব খুজিছ ভালকৈ কচোন। আমাৰ স্কুল-খুলিব নেকি?"

"স্কুল বন্ধ থাকিব। আমি স্কুললৈ যাবই নালাগে। আমাৰ অনলাইন ক্লাছ হ'ব। বিনয় দত্ত ছাৰে আমাক অথনি বাটত লগ পাই কথাটো ক'লে।" বিকাশৰ কথা শেষ হোৱাৰ লগে লগে বৈভৱে মাত লগালে—"মধুৰ তই যে পঢ়াত চোকা সেইবাবে ছাৰে অনলাইন ক্লাছ যে হ'ব এই কথা তোক জনাবলৈ আমাক দঢ়াই দঢ়াই ক'লে বুজিছ?"

তাৰ মনলৈ আহিল কেইবছৰমানৰ আগতে দেউতাকে কাম কৰা এঘৰৰ মানুহগৰাকীয়ে দেউতাকক এটা পুৰণি মোবাইল ফোন দিছিল মুহীকান্তৰ লগত যোগাযোগ ৰাখিবলৈ বুলি। দেউতাকৰ লগত এটা মোবাইল ফোন আছে বুলি মধুৰহঁতৰো ভাল লাগিছিল। পাছত চাৰ্জত দিবলৈ সিহঁত থকা অঞ্চলটোত প্ৰায়েই বিজুলী প্ৰবাহ নাথাকে। এদিন দেউতাকক পেণ্টৰ জেপৰ ফুটাইদি মোবাইল ফোনটো আলিবাটত পৰি গ'ল। ঘৰৰ গোটেইকেইটা মানুহে আলিবাটলৈ গৈও বিচাৰিলে। ফোনটো হেৰাই যোৱাৰ পাছত দেউতাকে মাকক ভালকৈ এজাউৰি দিয়াৰ কথাও তাৰ মনত আছে। সকলো দায়-দোষ শান্ত স্বভাৱৰ মাকৰ ওপৰত জাপি দিয়াটো দেউতাকৰ স্বভাৱ। তাৰ মনত পৰে দেউতাকে মাকক খঙেৰে কৈছিল—"মোৰ কামিজ চোলাটো তয়েই ধুই ৰ'দত মেলি দিছিলি। মই যেনিবা চোলাৰ জেপটো ফাটিছে বুলি তোক ক'বলৈ পাহৰিলোঁ। তইতো দেখিব লাগিছিল। তোৰ চকু নাই নেকি? চিলাই এটা মাৰি দিব নোৱাৰিলি।" উত্তৰ দিলেই হাই-কাজিয়াৰ সৃষ্টি হয় বাবে মাক নিৰৱে ৰয়।

তেতিয়াৰপৰাই সিহঁতৰ ঘৰত মোবাইল ফোন নাই।

নতুন প্ৰজন্মৰ প্ৰতিনিধি হিচাপে মধুৰে ভালকৈয়ে জানে যে পঢ়াশুনা চলাই যাবৰ কাৰণেও তাক এটা মোবাইল ফোন লাগিব। সাধাৰণ মোবাইল ফোন নহয়, এটা স্মাৰ্ট ফোন!

খন্তেকতে ভাবনাত হেৰাই যোৱা মধুৰৰ পিঠিত চপৰিয়াই বিদায় লৈ বৈভৱ আৰু বিকাশ অহা বাটে উলটি গ'ল। সিহঁত দুয়োটা সন্ধিয়াৰ আন্ধাৰত বিলীন হৈ যোৱাৰ পাছতো মধুৰে ৰ লাগি ঘৰৰ পদুলিটোত থিয় হৈ চাই ৰ'ল।

চিনাকি বাটটোকে তাৰ আগতকৈ বহুত বেছি দীঘল আৰু অচিনাকি যেন লাগিল।

ঠিকনা ঃ মাৰফৎ-জে. ছি. দুৱৰা, জীৱন ফুকন নগৰ, ডাক-ছি. আৰ. বিল্ডিং, ডিব্ৰুগড়-৭৮৬০০৩, ফোন ঃ ৯৪৩৫৫৩০৬৭৫


## ডাকযোগে প্ৰান্তিকৰ গ্ৰাহক হোৱাসকললৈ এটা নিবেদন

আমি ডাকযোগে আপোনালোকলৈ পঠিওৱা প্ৰতি সংখ্যাৰ প্ৰান্তিকৰ বকলাত আপোনালোকৰ নাম, ঠিকনাযুক্ত যিখন লেবেল থাকে সেইখনতে **গ্ৰাহক নম্বৰ, বৰঙণিৰ ম্যাদ আদিৰ তথ্য স্পষ্টভাৱে উল্লেখ থাকে।** সেইখন অলপ মনোযোগ দি চালেই যিকোনো বিষয়ত আমাৰ সৈতে যোগাযোগ কৰিবলৈ সুবিধা পাব আৰু আপোনালোকলৈ সন্তোষজনকভাৱে সেৱা আগবঢ়োৱাত আমাক সহায় কৰা হ'ব।

**প্ৰসন্ন শৰ্মা,**
ব্যৱস্থাপক, প্ৰান্তিক